অধ্যায় ৯ ঃ যোগাযোগৰ দৃষ্টিকোণৰ সমালোচনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ কৌশলগত (Strategic) সামাজিক পৰিবৰ্তনত যোগাযোগ-প্ৰচাৰ ঃ সমালোচনাত্মক মূল্যায়ন

৯.৩.১ গৱেষণা প্ৰসংগ

৯.৩.১ পদ্ধতি ঃ বিষয়বস্তু বিশ্লেষণ

৯.৩.২ গণমাধ্যমৰ প্ৰভাৱসমূহ

৯.৪ উন্নয়নত যোগযোগৰ নতুন নিয়মসমূহ

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগাযোগ আৰু প্ৰচাৰৰ দ্বাৰা কৌশলগতভাৱে কিদৰে সমাজ পৰিবৰ্তনৰ চেষ্টা কৰা হয় সেইবোৰ কথা জানিব পাৰিব।
- উন্নয়নত গণসংযোগৰ নতুন নীতি-নিয়ম সমূহৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

সাম্প্ৰতিক সময়ত বিশ্বৰ বিভিন্ন অনুষ্ঠানবোৰ থিতাতে সকলো লোকে উপভোগ কৰিবলৈ সক্ষম হৈছে। ইয়ে এক গোলকীয় সংস্কৃতিৰ সৃষ্টিত উৎসাহ দিছে। সমগ্ৰ বিশ্বৰে বিভিন্ন -লোকে বিভিন্ন সংস্কৃতিৰ চিনেমা বা টিভিৰ বিভিন্ন অনুষ্ঠান উপভোগ কৰি সেইসমূহ লোকৰ বিষয়ে, সংস্কৃতি ৰ বিষয়ে জানিবলৈ সক্ষম হৈছে। এই অধ্যায়ত আমি সমাজ পৰিবৰ্তনৰ বাবে যোগাযোগৰ যি প্ৰচাৰ চলা হয় তাৰ তাৎপৰ্যসমূহ আলোচনা কৰিম।

৯.৩ কৌশলগত সামাজিক পৰিবৰ্তনত যোগাযোগ-প্ৰচাৰ ঃ সমালোচনাত্মক মূল্যায়ন

টিভি, ছপা মাধ্যম, ইণ্টাৰনেট আদিয়ে মূলতঃ পৃথিৱীৰ বিভিন্ন ঘটনাপ্ৰবাহৰ খবৰ

ৰাইজৰ মাজলৈ লৈ যায়। দৰ্শকে যিসমূহ ঘটনা বা খবৰ সম্পৰ্কে একো বিশেষ নাজানে বা নিজে জনাৰ উপায় নাই তেওঁলোক মূলতঃ এই মাধ্যমসমূহৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। ইয়াৰ অৰ্থ এইটো নহয় যে মাধ্যমসমুহে আমাক কি ভাবিব লাগে সেইটো কয়, বৰং, দশৰ্কে মাধ্যমসমূহৰ বিভিন্ন বাৰ্তাসমূহ পোনে পোনেই গ্ৰহণ কৰি তাক মানি লোৱাৰ পৰিৱৰ্তে সেইবোৰ সমালোচনাত্মকভাৱেহে গ্ৰহণ কৰে। সি যি কি নহওক, এইবোৰে পৰিকল্পনা নিৰ্ধাৰণ আৰু নিৰ্দিষ্ট বিষয়ত জনসাধাৰণৰ উৎসাহক কেন্দ্ৰীভুত কৰাৰ বাবে সমালোচনা কৰা হয়। সাৰ্বজনিক চৰ্চা (public discussion)ক বিকাশিত কৰা বাদানুবাদ বা বিভিন্ন দৃষ্টিভংগীবোৰ মাধ্যমবোৰে সীমীত কৰে। যোগাযোগ পদ্ধতিৰ বহুমাত্রিক আৰ্হিসমূহ লৈ আমি এই অধ্যায়ত মূলতঃ জনসাধাৰণৰ বিশ্বাস বৃদ্ধি তথা আমাৰ ব্যবহাৰ আৰু শেষত সমাজ পৰিবৰ্তনত মাধ্যমসমূহৰনো কি ভূমিকা থাকে বা মাধ্যমসমূহে কি কৰা উচিত তাকে আমি আলোচনা কৰিম।

৯.৩.১ গৱেষণা প্ৰসংগ

গণমাধ্যমৰ উন্নত মাধ্যমসমূহ অহাৰ লগে লগে দেখা গ'ল যে পৃথিৱীখনত অলেখ তথ্য অহৰহ ঘূৰি ফুৰিছে। সমাজৰ বিভিন্ন গোটবোৰৰ মাজলৈ সৰবৰাহ হৈ সৰ্বস্তৰৰ মানুহৰ মাজলৈ সোমাই যোৱা বিভিন্ন তথ্যসমুহ বহুপৰিমানে গণমাধ্যমে বিশ্বাসযোগ্য কৰি তুলিছে। গণমাধ্যমে দৰ্শকৰ পৃথিৱীখন বুজি লৈ সু-সংহতহাতে বহু তথ্যক বিকৃত কৰে বা একেবাৰে সলাই পেলায়। যিহেতু এইবোৰ মাধ্যম অন্যবোৰতকৈ উন্নত সেয়ে সিহঁতেই যেন শুদ্ধ, অন্তিম, সৎ সেই স্থানো এইসমুহ মাধ্যমক লৈছে।

মাধ্যমৰ বিষয়বস্তু নিৰ্মানৰ ক্ষেত্ৰত (মাধ্যমবোৰত প্ৰকাশপাবলগীয়া বা সম্প্ৰচাৰ হ'ব লগা তথ্য বা খবৰ) বহুপৰিমানে প্ৰভাৱশালী কিছু লোক বা দলৰ যিসকলৰ ভিতৰত ৰাজনৈতিক অনুষ্ঠান, স্বাৰ্থন্বেষী দল বা সংস্থা (যেনে বিজ্ঞাপন কোম্পানী, লবি কৰা লোক) ইত্যাদিবোৰে নিজা প্ৰয়োজনত বহু বিষয় যোগ কৰে। এই বিভিন্ন দল বা গোষ্ঠীবোৰৰ বিষয়বোৰক আলোচনাৰ মাজলৈ লৈ অনা হয়। যাৰ ফলত, যিসমূহ তথ্য দৰ্শকে পাব লাগে সেই তথ্যসমূহ সীমীত কৰি পেলোৱা হয়। গণ মাধ্যম বা প্ৰচাৰ মাধ্যমবোৰে সহজেই বিভিন্ন প্ৰশ্নবোৰ বা সমস্যাবোৰ জনসাধাৰণৰ আলোচনাৰ পৰা আঁতৰাই পেলাব পাৰে। মাধ্যমবোৰে কোনবোৰ কথা আমাক কৈছে আৰু কোনবোৰ কথা কোৱা নাই — মাধ্যমৰ প্ৰকাশিত বা প্ৰদৰ্শিত এইধৰণৰ বিষয়বস্তুবোৰ বা সামগ্ৰীবোৰৰ (যিবোৰ মাধ্যমত প্ৰকাশ পায়) (media content) বিশ্লেষণ এক মুখ্য কথা। মাধ্যমবোৰৰ বিষয়বস্তু বা সামগ্ৰীবোৰ আৰু দৰ্শকৰ সম্ব ন্ধ একমাত্রিক নহয়। উদাহৰণস্বৰূপে, যিসকল লোকে বিভিন্ন নীতিবোৰ নিৰ্ধাৰণ কৰে (Policy makers), তেওঁলোকে মাধ্যমসমূহক তথ্যৰ যোগান ধৰিব পাৰে আৰু একেসময়তে দৰ্শকৰ প্ৰতিক্ৰিয়াসমূহক সেইধৰণে চাবলৈ প্ৰয়াস কৰে যিধৰণেৰে দৃষ্টিভংগীবোৰে আকাৰ আৰু প্ৰকাশ পায়। এনেদৰেই বিভিন্নমাধ্যমত তেওঁলোকৰ

বিভিন্ন মন্তব্যসমূহ কিদৰে হস্তক্ষেপ কৰা হয় বা পুনৰ উৎপাদন কৰা হয় তাক তেওঁলোকে অনুমান কৰে। যদিও পুৰণি গৱেষণাসমূহত প্ৰতিতো উপাদান (যেনে মাধ্যমৰ প্ৰভাৱ বা মাধ্যমৰ বিষয়বস্তুবোৰ) স্বতন্ত্ৰভাৱে বিশ্লেষণ কৰা হৈছিল, কিন্তু সমাজ পৰিবৰ্তনত এই বিভিন্ন অংশবোৰৰ আন্তঃসম্পৰ্ক কি তাক বিশ্লেষণ কৰাটো, মাধ্যমৰ কাম কাজ আলোচনা কৰা যিকোনো বাগধাৰাতে জৰুৰী।

৯.৩.২ পদ্ধতি ঃ বিষয়বস্তু

আমাৰ দৃষ্টিভংগী মূলতঃ কিছু পুৰ্বানুমান যেনে যিকোনো বিতৰ্কিত বিষয়ৰ ক্ষেত্ৰত নিজা নিজা যুক্তি তথা ঐতিহাসিক কথাবোৰ প্ৰতিপন্ন কৰিবলৈ পৰস্পৰ বিৰোধী পদ্ধতি থাকে। এইবোৰে প্ৰায়েই বিভিন্ন ৰাজনৈতিক অৱস্থানৰ সৈতে নিজকে সংযুক্ত কৰে আৰু আদৰ্শগত হিচাপেও চাব পাৰি। তেওঁলোকে বুজি পোৱাৰ পদ্ধতিসমূহকমান্যতা দিয়ে যিবোৰ সামাজিক স্বাৰ্থৰ সৈতে জড়িত। এনে প্ৰেক্ষাপটত, বিশ্বাস প্ৰণালীটো (যাৰ অৰ্থ এটা চক্ৰান্ত যুক্ত দৃষ্টিভংগী) আৰু গোটসমূহৰ দ্বাৰা তাৰ সত্যাসত্যৰ নিৰূপণৰ যুঁজখন অবিচ্ছেদ্যভাৱে চলে।

আমাৰ কৌশলতো কোনো এক বিশেষ বিষয়ত জনসাধাৰণৰ মতামত (public discourse)ত সহজে উপলব্ধ যুক্তি-তৰ্কবোৰৰ পৰিসৰ নিৰ্ধাৰণেৰে আৰম্ভ হয়। এনে মুহূৰ্তত, আমি এটা বাতৰিৰ পাঠ (news texts) টো বিভক্ত (dissect) কৰি সেইবোৰৰ ভিতৰত কোনতো প্ৰদৰ্শিত হ'ব আৰু বাতৰিৰ প্ৰগ্ৰেমিংৰ অগ্ৰগতি তেওঁলোকে এইটোৱেই কেনেকৈ কৰে তাক চাও। কিছুমান কথা বা তথ্য (বিষয়বস্তু) হয়তো পৰ্যায়ক্ৰমে (সময়ে-সময়ে) বা লাহে লাহে পাৰ কৰি দিয়া হয়, আৰু অন্যবোৰে বিষয়বস্তু মুখ্য বাতৰিৰূপে, সাক্ষাৎকাৰৰ প্ৰশ্ন হিচাপে বা সম্পাদকীয় হিচাপে এক প্ৰভাৱশালী অৱস্থান পায়। প্ৰৱজন সম্পৰ্কে মাধ্যমৰ আলোচনাত কিছুৱে ধাৰণা কৰে যে বহুসংখ্যকৰ প্ৰৱজনৰ লগত এক বিপদো জড়িত হৈ থাকে — বহুতে এনে ধৰণৰ মুকলি গাঁথনিৰ বাতৰিক সমৰ্থনো কৰিব পাৰে। প্ৰৱজনৰ ধাৰণা আৰু ইয়াৰ লগত জড়িত বিভিন্ন উপাদানবোৰ যেনে - সাক্ষাৎগ্ৰহণ, নিৰ্ধাৰিত আলোকচিত্ৰ, সম্পাদকীয় মন্তব্য আদিবোৰৰ প্ৰেক্ষাপটত বাতৰিতো সজোৱা হয় আৰু এই গোটেইবোৰে মূল বিষয়টোক নাৰ্যতা প্ৰদান কৰে।

বাতৰি কেতিয়াবা তথ্য আৰু আলোচনাৰ বিক্ষিপ্ত অগ্ৰগতি হিচাপে প্ৰদৰ্শিত হ'ব পাৰে। তথাপি অতিৰিক্তভাৱে সামাজিক সংযোগবোৰ আৰু সেইবোৰ কেনেকৈ বুজা হ'ব সেই মূল ধাৰণাৰ দ্বাৰা ই সমৰ্থিত। ইয়াৰ মূলতে হৈছে প্ৰেৰণা, পৰিস্থিতি, যুক্তিবাদী (যৌক্তিক ফলাফল), দায়িত্ব আৰু পৰিণাম সম্পৰ্কে বিশ্বাস। সেয়ে আশ্ৰয় সন্ধানী ব্যক্তিসকল সম্পৰ্কে বাতৰি কাকতৰ প্ৰতিবেদনে এইবোৰৰৰ প্ৰতিটো বিষয়তে পুৰ্বানুমান কৰিব পাৰে। ব্যক্তিসকলৰ প্ৰৱজনৰ প্ৰকৃত কাৰণৰ বিপৰীতে তেওঁলোক

যেন এক স্বাচ্ছন্দ্যৰ জীৱন বা টকা পইচাৰে এক মুকলি জীৱন উপভোগৰ বাবেহে প্ৰবজন কৰিছে তাক প্ৰতিষ্ঠা কৰিব পাৰি।

বিষয়বস্তু বিশ্লেষণত আমি বাতৰিৰ পিছত প্ৰয়োজনীয় হ'ব লগা, উল্লেখনীয় জ্ঞানৰ বিভিন্ন শাখাবোৰক ভাগ ভাগ কৰো। তাৰ পিছত বাখ্যাকাৰী কাঠামো (explanatory framework)ৰে বিশ্লেষণ কৰো যিয়ে ইয়াক সমৰ্থন কৰে। এই গুণগত পদ্ধতিটোৱে (qualitative approach) বাতৰি লেখাবোৰৰ (features)ৰ মুল কথাবোৰ, বাতৰি অনুষ্ঠান এটাৰ পাঠ (text - ভাষা, উপস্থাপন সকলো দিশ সামৰি), বাতৰি কাকতৰ প্ৰৱন্ধ আদিবোৰৰ বিষদ বিশ্লেষণ সামৰি লয়।

কিছুমান নিৰ্দিষ্ট অধ্যয়নত আমি এনেবোৰ বিষয়ৰ পৰিমাণগত বা সংখ্যাগত মূল্যায়নো (quantitative evaluation) কৰো য'ত সুস্পষ্ট অভিব্যক্তি আৰু তাৎপৰ্যপূৰ্ণ শব্দবোৰ মিলাই চোৱা হয়। এই ভিত্তিত আমি স্পষ্ট বিষয় (explicit subjects) নিৰ্মাণত ব্যৱহৃত সঠিক ভাষাৰ ব্যৱহাৰ আৰু কিধৰণেৰে প্ৰাধান্য নিৰ্মাণ কৰা হৈছে তাৰ হিচাপ বা ৰেকৰ্ড দিব পাৰো। ইয়াক পিছত দৰ্শকৰ লগত হোৱা অনুসন্ধানৰ জৰিয়তে তাৰ সত্যাসত্য উলিয়াব পাৰি। তাৰ বাবে পদ্ধতিটো হ'ল চিহ্নিত এক দলক কেন্দ্ৰ কৰি কোনো এক বিষয়ৰ বাতৰিৰ শিৰোনামা (headlines) লিখিব দিয়াটো। আমি বিভিন্ন অনুসন্ধানত এই পদ্ধতিটো ব্যৱহাৰ কৰিছো আৰু দেখিবলৈ পাইছো যে, যিবোৰ মুখ্য বিষয় আমি মাধ্যমবোৰৰ পৰা প্ৰস্তুত কৰিছো অংশগ্ৰহণকাৰীসকলে নিজৰ স্মৃতিৰ পৰা অ প্ৰত্যাশিতভাৱে সেই বিষয়বোৰ বাৰে বাৰে লিখি উলিয়াবলৈ সক্ষম।

৯.৩.৩ গণসংযোগৰ প্ৰভাৱসমূহ (Mass Communication Effects)

গণসংযোগৰ প্ৰভাৱৰ অনুসন্ধান ক্ষেত্ৰখন একেসময়তে কাৰ্যশীল আৰু উঠা-নমা (fluctuated) কৰি থাকে। Liebert and Schwartzberg (1977) গণসংযোগৰ মনস্তাত্ত্বিক প্ৰভাৱৰ ওপৰত এক সমীক্ষাত্মক গৱেষণা আগবঢ়াইছে। Comstock and Fisher (1975) আৰু Comstock আৰু তেওঁৰ সহযোগীসকলে টিভি আৰু মানুহৰ আচাৰ ব্যৱহাৰ সম্পৰ্কে গৱেষণা তথা, যথেষ্ঠসংখ্যক লেখা-মেলা কৰি ইয়াক প্ৰতিষ্ঠা কৰিছে। পাছটা খণ্ডৰ "Television and Social Behaviour" (1971) গ্ৰন্থখনত টিভিত প্ৰদৰ্শিত অনুষ্ঠান (show) সম্পৰ্কে বহুখিনি আলোচনা তথা সমালোচনাত্মক লেখা আছে। গণসংযোগৰ প্ৰভাৱ সম্পৰ্কে কিছু তাত্ত্বিক কথা-বতৰা তথা এইবোৰৰ গাঁথনি সম্পৰ্কে Schramm (1973) আৰু Wright (1974, 1975)-এ উল্লেখ কৰিছে।

গণ মাধ্যমৰ প্ৰভাৱ বহুপৰিমানে মনোবিজ্ঞান ভিত্তিক পৰীক্ষমূলক অনুসন্ধানত প্ৰদৰ্শিত হয়। এই অনুসন্ধান তাৎক্ষণিক, ক্ষন্তেকীয়া আৰু একমাত্ৰিক

প্ৰভাৱৰ কথাৰে আৰম্ভ কৰি এটা বিযুক্ত তথা সীমাবদ্ধ গণমাধ্যমৰ উৎসাহৰ এক চমু পৰিচয়ৰ কথা কোৱা হয়। এই অধ্যয়নৰ বিশ্ববীক্ষাই মুটামুটিকৈ বা পৰামৰ্শমূলক গণমাধ্যমৰ বিষয়বস্তু উত্থাপনক (যেনে - বলপূৰ্বক বা যৌন আচৰণ) নিয়মিতভাৱে অনুসৰণ কৰিছে।

অতি পৰিষ্কাৰভাৱে, পৰস্পৰ বিৰোধী সামৰণিলৈ অহা মাধ্যমৰ প্ৰভাৱ ধাৰণাতো বহুপৰিমাণে তাৰ বিৰোধভাসৰ দ্বাৰা স্পষ্ট হয়।

ক) কি প্ৰপঞ্চ (phenomenon) আমি অধ্যয়ন কৰিম, সামগ্ৰীকভাৱে গণমাধ্যম নে এক বিশেষ মাধ্যম হিচাপে, বিষয়বস্তুৰ ধৰণ, উপস্থাপনৰ পৰিমাণ আৰু ব্যৱহাৰ।

খ) সমপুৰ্ণ বিষয়টো নে কোনো এক বিন্দু য'ত প্ৰভাৱ পৰিছে - ব্যক্তি, দল নে সমাজ।

গ) সময়ৰ পৰিসৰ (তাৎক্ষণিক, কিছু সময় নে দীঘলীয়া সময়)।

ঘ) তথ্য বা শিকনত মাধ্যম প্ৰভাৱৰ ফলত হোৱা পৰিৱৰ্তিন, যেনে মন্তব্যত, আচাৰ ব্যৱহাৰত বিশ্বাসত আদি প্ৰভাৱ-

ঙ) প্ৰভাৱ প্ৰক্ৰিয়াটোক ত্বৰান্বিত কৰা পদ্ধতিতো - সামাজিকীকৰণ, ছদ্মবেশ, উত্তেজিতকৰণ আৰু

চ) যদি কোনো তত্ত্ব থাকে যিটোৱে এই উপাদানবোৰৰ অনুমানমূলক মিশ্ৰণটোক জীণ নিয়াই স্পষ্টতা দিব পাৰে।

সাম্প্ৰতিক সময়ত গণসংযোগৰ সামাজিক প্ৰভাৱ সম্পৰ্কীয় সূত্ৰসমূহে মাধ্যমৰ পোনপটীয়া প্ৰভাৱ, আৱেগৰ পৰিৱৰ্তন আৰু ব্যক্তিৰ তাৎক্ষণিক আচাৰ ব্যৱহাৰ পৰিৱৰ্তন ইত্যাদিবোৰ বিষয়ৰ বিপৰীতে সাধাৰণভাৱে, তথ্য লাভ, সামাজিক বাস্তৱতাৰ সম্পৰ্কে ব্যক্তি এজনৰ ধাৰণা আৰু বহলভাৱে সামাজিক আৰু সাংস্কৃতিক স্তৰত হোৱা প্ৰভাৱৰ বিষয়ত বেছি গুৰুত্ব দিয়ে।

৯.৪ উন্নয়নত যোগযোগৰ নতুন নিয়মসমূহ

সৰ্বব্যাপী (সমগ্ৰ বিশ্বতে) একে গাঁথনিৰ চৰকাৰ আৰু একেধৰণৰ মাধ্যম নিয়ন্ত্ৰণৰ নীতি নিয়মৰ অভাৱৰ ফলত সাৰ্বজনীন যোগাযোগ (universal communication) কোনো কেন্দ্ৰীয় বা পুৰ্বানুমান ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল নহয়। মুক্ত বজাৰ ব্যৱস্থা আৰু দেশবোৰৰ সাৰ্বভৌমতাৰ বাবে সমগ্ৰ বিশ্বতে থকা যোগাযোগৰ মাধ্যমবোৰক নিৰ্দ্দিষ্ট নিয়মৰ ভিতৰত ৰাখিবলৈ কঠিন। প্ৰামাণিকভাৱে, ৰাষ্ট্ৰীয় স্তৰত মাধ্যমৰ সাৰ্বজনীন নিয়ন্ত্ৰণ আৰু নিয়মাৱলীৰ এক গম্ভীৰ ব্যৱস্থা আছে যি ৰাষ্ট্ৰীয় স্তৰৰ মাধ্যমবোৰে মানি চলে। সাধাৰণতে এই নিয়মাৱলীসমূহৰ উদ্দেশ্য বিশেষ (specialized) আৰু বিনিময় বিষয়বোৰত সমগ্ৰ বিশ্বৰে মাধ্যমবোৰক উৎসাহিত কৰা।

উনবিংশ শতিকাৰ মাজভাগত Universal Postal Unionৰ বিধিৰ দ্বাৰা বিশ্ব ডাক সেৱাক উৎসাহ দিবলৈ বিশ্ব প্রশাসনৰ আৰম্ভণি আৰু দেশসমূহৰ মাজত বুজাবুজি হয়। । ঠিক একেসময়তে International Telegraph Union (ITU- ১৮৬৫) প্রতিষ্ঠা হয়। আন্তঃসংযোগ (interconnections) বৃদ্ধি আৰু ৰেডিঅ'ৰ পৰিসৰ (radio range) বৃদ্ধিৰ লগতে শুল্কৰ ক্ষেত্রতো সন্মতিৰ বাবে এই সংস্থা গঠন কৰা হৈছিল। এই দুই ক্ষেত্রতে, ৰাষ্ট্র আৰু চৰকাৰ যিয়ে ব্যবসায়িক মডেল টো লাঘু কৰে এই মহত্বপুর্ণ কাম কৰিলে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্রসংঘই গণমাধ্যমৰ বিষয়ত নিষেধাজ্ঞাৰ ক্ষেত্র দিছে, বিশেষকৈ মত প্রকাশৰ স্বাধীনতা (চার্টাৰৰ জৰিয়তে তাক নিশ্চয়তা প্রদান কৰা হৈছে), ৰাষ্ট্রসমূহৰ মাজত যোগাযোগৰ মুকলি বিকাশ, আৰু সার্বভৌমত্বৰ বিষয়বোৰ। ১৯৭৮ চনত UNESCO-ত বিভিন্ন বিকাশশীল দেশৰ দাবীত বিশ্বৰ বিভিন্ন গণমাধ্যমৰ পৰিচালনাৰ বাবে বিশেষকৈ যুদ্ধ আৰু শত্রুতামূলক প্রচাৰৰ ক্ষেত্রত বিভিন্ন মানদণ্ডবোৰ লৈ এখন ঘোষণাপত্র উপস্থাপনৰ এক প্রচেষ্টা লোৱা হয়। যদিও পছিমীয়া দেশবোৰে আৰু মুক্ত বজাৰৰ মাধ্যমবোৰে ইয়াক বিৰোধীতা কৰিলে। তথাপি এই প্রচেষ্টাই যোগাযোগৰ মাধ্যমসমূহৰ সম্পর্কত চিন্তা- চর্চা তথা এই লৈ হোৱা আচঁনিত বিভিন্ন নতুন আৰু বাদানুবাদৰ বিষয়বোৰে স্থান পালে। একেসময়তে মাধ্যমসমূহৰ যোগাযোগ-প্রচাৰৰ ক্ষেত্রত থকা কিছু অধিকাৰ, আৰু মাধ্যমৰ দায়িত্ব আৰু প্রতিশ্রুতিবোৰকো স্বীকৃতি দিলে। ৰাষ্ট্রসংঘৰ ঘোষণাপত্র, মানৱ অধিকাৰ সম্পর্কত য়ুৰোপ আৰু আমেৰিকাৰ সন্মিলন আদিসহ আজিলৈ সার্বজনীন নিষ্পতিবোৰ আছে যিয়ে গণসংযোগ মাধ্যমৰ অপব্যৱহাৰৰ ফলত ক্ষতিগ্রস্ত লোকৰ এক সমীক্ষা দিয়ে।

নতুন যোগাযোগৰ মাধ্যমৰ বিপ্লৱ-বিশেষকৈ কম্পিউতাৰ আৰু যোগাযোগ মাধ্যমৰ ব্যাপক বিকাশে, মাধ্যমৰ ক্ষেত্রত থকা পুর্বৰ নিয়মসমূহ শিথিল কৰিলে। শিথিলকৰণ আৰু ব্যক্তিগতকৰণ- এই দুই প্রক্রিয়াই দৃষ্টিভংগীৰো পৰিৱর্তন কৰিলে। ফলত গণমাধ্যমৰ ক্ষেত্রত এক আন্তজার্তিক আদর্শ আৰু আন্তজার্তিক বাধা-নিষেধ (regulation) নির্মাণৰ পথটো বন্ধ কৰি পেলালে। সি যি কি নহওক, একেই ধৰণৰ পদক্ষেপে বিভিন্ন ইছ্যুত আৱশ্যক বিশেষ, কর্তৃত্ব বাদী আৰু আর্থিক সহযোগিতাৰ প্রসাৰ কৰিলে। ইণ্টাৰনেটৰ বিকাশে সমগ্র বিশ্বতে এক নিয়মাৱলীৰ (guideline) প্রয়োজনীয়তাক দোহাৰে।

বিশ্ব স্তৰত মাধ্যমৰ প্রশাসনৰ (media governance) বর্দ্ধিত ব্যৱস্থাত মৌলিক অনুষ্ঠানসমূহ আৰু তেওঁলোকৰ ভূমিকা তলত উল্লেখ কৰা হ'ল —

- আন্তৰাষ্ট্রীয় টেলিগ্রাফ সংঘ (The International Telegraph Union -ITU) ঃ বিভিন্ন ৰাষ্ট্রৰ চৰকাৰে নিযুক্তি দিয়া প্রতিনিধিৰ দ্বৰা গঠিত এখন বর্ড । ITU এ সাধাৰণতে মাধ্যমৰ প্রচাৰণ (transmission) বা ট্রেন্সমিচনৰ বিশেষ মডেল, পৰিসৰ (range portion), উপগ্রহীয় চক্র (satellite circles) ইত্যাদিবোৰ চোৱা-চিতা কৰে।
- বিশ্ব বাণিজ্য সংস্থা (World Trade Organization- WTO) ঃ আর্থিক বিষয়ত

WTOৰ ক্ষমতা বহু বেছি। ই ইতিমধ্যেই মাধ্যমৰ ক্ষেত্রখনত সোমাই পৰিছে কিয়নো মাধ্যমৰ ক্ষেত্রখনত ব্যৱসায় বেছ ভাল আৰু ই জনপ্রিয়ও। অন্য কিছু আঞ্চলিক বাণিজ্য সংস্থা যেনে NAFTA (North American Free Trade Agreement) ও মাধ্যমৰ ক্ষেত্রখনত সোমাব পাৰে।

- The United Nations Educational Social and Cultural Organization (UNESCO) ঃ ১৯৪৫ চনত গঠিত ৰাষ্ট্রসংঘৰ অধীনস্থ এটা সংস্থা। UNESCO-ৰ সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্রখনত যথেষ্ঠ পাৰদর্শিতা আছে কিন্তু মাধ্যমৰ ক্ষেত্রখনত কোনো নির্দিষ্ট ক্ষমতা বা শক্তি নাই। ই মত প্রকাশৰ স্বাধীনতা আৰু ইণ্টাৰনেট বিষয়ক অনুসন্ধানত গতিশীল নহয়।
- The World Intellectual Property Organization (WIPO) ঃ ১৮৯৩ চনত WIPO প্রতিষ্ঠা হয়। WIPO ৰ লগত লেখক আৰু ব্যৱহাৰকাৰীৰ মাজত মালিকীস্বত্ব লৈ হোৱা বিবাদক মীমাংসাৰ বাবে উল্লেখযোগ্য আইন আৰু ব্যৱস্থা আছে।
- The International Corporation of Assigned Names and Numbers (ICANN) ঃ ICANN বিভিন্ন প্রশাসনিক সংস্থাৰ এক শেহতীয়া প্রসাৰণ। ই এটা ব্যক্তিগত সংস্থা যিয়ে ইণ্টাৰনেট ব্যৱহাৰ কৰা সম্প্রদায় বা লোকসকলৰ লগত বার্তালাপৰ আঁচনি লৈছে। ১৯৯৪ চনত World Wide Web ৰ ব্যক্তিগতকৰণ পিছত এই সংস্থাৰ আৰম্ভ হয়। ইয়াৰ মুখ্য কামটো আছিল চার্ভাৰৰ কাম-কাজ চোৱা-চিতা (server management functions) কৰাৰ উপৰিও ঠিকনা আৰু ডমেইনৰ নামসমূহ (domain names) বিলাই দিয়া। ইণ্টাৰনেটৰ লগত জড়িত বর্দ্ধিত সামাজিক বা অন্যসমুহ সমস্যা বা বিষয় সমাধানৰ ইয়াৰ বিশেষ দক্ষতা নাই।
- যুৰোপীয়ান আয়োগ (The European Commission -EC) ঃ যুৰোপীয় সংঘৰ ২৫ খন দেশৰ এই সংগঠনে প্রচাৰ বা গণ মাধ্যমত প্রদর্শিত আৰু মাধ্যমৰ যোগাযোগ (প্রচাৰ)ৰ ক্ষেত্রত কিছু বাধানিষেধ দিব পাৰে।

পৰিবর্তিত পৰিস্থিতিত বিশ্বৰ বিভিন্ন মাধ্যমত উদ্ভাৱিত বিভিন্ন সমস্যা সমাধানৰ বাবে অলেখ সংস্থা আছে। বহুতে বিভিন্ন উদ্যোগৰ স্বার্থৰ কথা কয় য'ত প্রকাশক, সাংবাদিক আৰু প্রজোজক জড়িত হৈ থাকে। তাৰোপৰি অসংখ্য বেচৰকাৰী সংস্থা (NGO) ও আছে যিসকলে নাগৰিক সমাজৰ (civil society)ৰ স্বার্থত কথা কয়। এনেবোৰ কাৰণতে স্পষ্ট নির্দেশাৱলী এতিয়াও সামাজিক বা সাংস্কৃতিক বিষয়ৰ বিপৰীতে বিশেষ আৰু আর্থিক বিষয়তহে বহু পৰিমাণে সীমীত। আশ্চর্যজনকভাৱে, আন্তর্জাতিকতাবাদ বিকাশৰ বহু বিচ্ছিন্ন ইংগিত আছে সেয়েহে, বিভিন্ন ৰাষ্ট্রৰ দ্বাৰা দিয়া নীতি নির্দেশনাৰ বিপৰীতে অধিক উপযুক্ত আৱৰণৰ এক প্রয়োজনীয়তা আছে।

গোলকীয় মাধ্যমৰ বিকাশৰ লগে লগে মাধ্যমবোৰক নিয়ন্ত্রণৰ ন-ন সমস্যা আহি পৰিছে। যিহেতু প্রচাৰ মাধ্যম এটাৰ বার্তাক দেশ এখনৰ চাৰিসীমাত আৱদ্ধ কৰি ৰাখিব পৰাতো

এতিয়া আগৰ দৰে সহজ হৈ থকা নাই তথাপি চাৰিসীমাৰ বাহিৰত প্ৰচাৰতো বহুখিনি ব্যৱহাৰিক সমস্যা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যোগাযোগৰ বিকাশত The International Telegraph Union (ITU) ভূমিকা কি আছিল ?

.....

প্ৰশ্ন নং ২ ঃ যোগাযোগৰ বিকাশত The World Intellectual Property Organization ভূমিকা কি আছিল ?

.....

প্ৰশ্ন নং ১ ঃ যোগাযোগৰ বিকাশত The International Corporation of Assigned Names and Numbers (ICANN) ভূমিকা কি আছিল ?

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- টিভি, ছপা মাধ্যম আৰু ইন্টাৰনেটে এটা মুখ্য কাম কৰে — ই মূলতঃ পৃথিৱীৰ বিভিন্ন ঘটনাপ্ৰবাহ, কি ঘটিছে সেইবোৰ খবৰ ৰাইজৰ মাজলৈ লৈ যায়।
- গণমাধ্যমৰ উন্নত মাধ্যমসমূহ অহাৰ লগে লগে দেখা গ'ল যে পৃথিবীখনত অলেখ অসংহত আৰু পৰস্পৰবিৰোধী তথ্য অহৰহ ঘূৰি ফুৰিছে।
- বাতৰি কেতিয়াবা তথ্য আৰু আলোচনাৰ বিক্ষিপ্ত অগ্ৰগতি হিচাপে প্ৰদৰ্শিত হ'ব পাৰে। তথাপি অতিৰিক্তভাৱে সামাজিক সংযোগবোৰ আৰু সেইবোৰ কেনেকৈ বুজা হ'ব সেই মূল ধাৰণাৰ দ্বাৰা ই সমৰ্থিত।
- গণ মাধ্যমৰ প্ৰভাৱ বহুপৰিমানে মনোবিজ্ঞান ভিত্তিক পৰীক্ষমূলক অনুসন্ধানত প্ৰদৰ্শিত হয়। এই অনুসন্ধান তাৎক্ষণিক, ক্ষন্তেকীয়া আৰু একমাত্ৰিক প্ৰভাৱৰ কথাৰে আৰম্ভ কৰি এটা বিযুক্ত তথা সীমাবদ্ধ গণমাধ্যমৰ উৎসাহৰ এক চমু পৰিচয়ৰ কথা কোৱা হয়।
- গোলকীয় মাধ্যমৰ বিকাশৰ লগে-লগে মাধ্যমবোৰক নিয়ন্ত্ৰণৰ ন-ন সমস্যা আহি পৰিছে। যিহেতু প্ৰচাৰ মাধ্যম এটাৰ বাৰ্তাক দেশ এখনৰ চাৰিসীমাত আৱদ্ধ কৰি ৰাখিব পৰাতো এতিয়া আগৰ দৰে সহজ হৈ থকা নাই তথাপি চাৰিসীমাৰ বাহিৰত প্ৰচাৰতো বহুখিনি ব্যৱহাৰিক সমস্যা আছে।



৯.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Miller, D. (1998). Promotional strategies and media power. In A. Briggs & P. Cobley (Eds.), the media: An introduction (pp.65-80). London, United Kingdom: Longman.
2. Wright, C. R. (1975). Mass Communication: A Sociological Perspective. NY: Random House. 2nd ed.



৯.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় টেলিগ্ৰাফ সংঘ (The International Telegraph Union -ITU) ঃ বিভিন্ন ৰাষ্ট্ৰৰ চৰকাৰে নিযুক্তি দিয়া প্ৰতিনিধিৰ দ্বাৰা গঠিত এখন বৰ্ড । ITU-এ সাধাৰণতে মাধ্যমৰ প্ৰচাৰণ (transmission) বা ট্ৰেন্সমিচনৰ বিশেষ মডেল, পৰিসৰ (range portion), উপগ্ৰহীয় চক্ৰ (satellite circles) ইত্যাদিবোৰ চোৱা-চিতা কৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ The World Intellectual Property Organization (WIPO) ই লেখক আৰু ব্যৱহাৰকাৰীৰ মাজত মালিকীস্বত্ব লৈ হোৱা বিবাদক মীমাংসাৰ বাবে উল্লেখযোগ্য আইন আৰু ব্যৱস্থা আছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ই এটা ব্যক্তিগত সংস্থা যিয়ে ইণ্টাৰনেট ব্যৱহাৰ কৰা সম্প্ৰদায় বা লোকসকলৰ লগত বাৰ্তালাপৰ আঁচনি লৈছে। য়াৰ মুখ্য কামটো আছিল চাৰ্ভাৰৰ কাম-কাজ চোৱা-চিতা (server management functions) কৰাৰ উপৰিও ঠিকনা আৰু ডমেইনৰ নামসমূহ (domain names) বিলাই দিয়া।



৯.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কৌশলগত সামাজিক পৰিবৰ্তন আৰু যোগাযোগ-প্ৰচাৰৰ সমালোচনাত্মক মূল্যায়নত 'গৱেষণা প্ৰসংগ" কি?

প্ৰশ্ন ২ ঃ মাধ্যম প্ৰশাসনৰ (media governance) ক্ষেত্ৰখনত থকা প্ৰভাৱশালী সংস্থাবোৰৰ নাম লিখক।

খ) দীঘল প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ উন্নয়নত যোগাযোগৰ নতুন নিয়মসমুহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ সামাজিক পৰিবৰ্তনত গণমাধ্যমৰ প্ৰভাৱসমূহ কি কি?

*** ***** ***